REFERENCE

অসম চৰকাৰ

LEGISLATIVE ASSEMBLY LIBRARY
ASSAM: SHILLONG.

# বাজেট বক্তৃতা

# ১৯৭৩-৭৪

শ্ৰীশৰৎ চন্দ্ৰ সিংহ
মুখ্যমন্ত্ৰী, অসম

৪ জুন, ১৯৭৩

মাননীয় অধ্যক্ষ মহোদয়,

১৯৭৩-৭৪ চনৰ বছৰেকীয়া বিত্তীয় বিৱৰণী মই সদনত দাঙি ধৰিব খুজিছোঁ ।

যোৱা বিত্তীয় বছৰটোত চৰকাৰে কৰা কাম-কাজ আৰু চলিত বছৰটোত প্ৰস্তাৱিত কাম-কাজৰ বিষয়ে সদনৰ মাৰ্চ অধিবেশনত দিয়া ৰাজ্যপালৰ উদ্বোধনী ভাষণত বিস্তৃত ভাবে আলোচনা কৰা হৈছে । ৰাজ্যিক চৰকাৰৰ উন্নয়নমূলক কাম-কাজৰ বিস্তৃত হিচাপ এটাও মাননীয় সদস্যসকলৰ মাজত সুকীয়াকৈ বিতৰণ কৰা হৈছে । সেইগতিকে মই মোৰ ভাষণত প্ৰধানতঃ ৰাজ্যখনৰ অৰ্থনৈতিক আৰু বিত্তীয় পৰিস্থিতিৰ বিষয়ে আলোচনা কৰিব খুজিছোঁ ।

## অৰ্থনৈতিক পৰিস্থিতি :

১৯৭২ চনৰ বছৰটোত আৰু ১৯৭৩ চনৰ প্ৰথম কেইমাহ মানৰ কালছোৱাত দেশখনৰ সামগ্ৰিক অৰ্থনৈতিক পৰিস্থিতি উৎসাহজনক নাছিল । দেশখনৰ বহুতো অঞ্চলতে সৃষ্টি হোৱা প্ৰাকৃতিক দুৰ্যোগ—যেনে বানপানী আৰু খৰাং ৰতৰে দেশখনৰ বহুতো অংশত কৃষি উৎপাদনৰ ক্ষেত্ৰত গুৰুতৰ ভাৱে ব্যাঘাট জন্মায় আৰু বিদ্যুতৰ তাকৰীয়া যোগানৰ ফলত ঔদ্যোগিক উন্নয়নৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি হয় । ১৯৬০-৬১ চনৰ স্থিৰ মূল্যৰ হিচাপত ১৯৭০-৭১ চনৰ বছৰটোত ৰাষ্ট্ৰীয় আয় শতকৰা ৪·৬ ভাগলৈ বৃদ্ধি পায় আৰু এই বৃদ্ধিৰ হাৰ ১৯৬৯-৭০ চনৰ বছৰটোৰ শতকৰা ৭·৩ ভাগ বৃদ্ধিৰ হাৰৰ তুলনাত আগৰ বছৰতকৈ বেছি । পিছৰ বছৰ কেইটাৰ আনুমানিক বিত্তীয় হিচাপ এতিয়ালৈকে পোৱা হোৱা নাই যদিও ১৯৭১-৭২ আৰু ১৯৭২-৭৩ চনৰ কালছোৱাত ৰাষ্ট্ৰীয় আয় বৃদ্ধিৰ হাৰ তাৎপৰ্য্যপূৰ্ণভাবে শতকৰা মাত্ৰ ২ ভাগহে কমিব বুলি আভাস পোৱা গৈছে । এই সময় ছোৱাত মূল্যমানৰ ওপৰত অতিশয় হেঁচা পৰে আৰু ১৯৭২ চনৰ বছৰটোত মূল্যমান শতকৰা ৭·৮ ভাগলৈ বৃদ্ধি পায় । আগৰ বছৰটোত মূল্যমান বৃদ্ধিৰ হাৰ আছিল শতকৰা ৩·৯ ভাগ । ১৯৭২ চনৰ বছৰটোত নিয়োগ পৰিস্থিতিও বেয়াৰ ফালে ঢাল খায় ।

এই সময়ছোৱাত অসমৰ অৰ্থনৈতিক পৰিস্থিতি সেই একে ধৰণৰ আছিল । দুটা ডাঙৰ বানপানীৰ ফলত ৰাজ্যখনৰ খাদ্যশস্য উৎপাদনৰ ক্ষেত্ৰত ক্ষতি সাধন হয় । ১৯৭২ চনৰ জুন মাহৰ শেষৰফালে হোৱা প্ৰথম বানপানীৰ ফলত নগাওঁ, কামৰূপ আৰু কাছাৰ জিলা কেইখনৰ অশেষ ক্ষতি সাধন হোৱাৰ উপৰিও দৰং, শিৱসাগৰ আৰু গোৱালপাৰা জিলা কেইখনৰো যথেষ্ট পৰিমাণে অনিষ্ট হয় । জুলাই মাহৰ শেষৰ সপ্তাহত হোৱা দ্বিতীয় বানপানীৰ ফলত লক্ষীমপুৰ, কামৰূপ আৰু গোৱালপাৰা জিলাৰ বিস্তৰ ক্ষতিসাধন হয় । এই বানৰ ফলত ৰাজ্যখনত থকা নদীসমূহৰ মথাউৰি বিলাক পানীত ডুব যায় আৰু বহুতো ঠাইত মথাউৰিবিলাক ছিগি যায় । পথ আৰু ৰাজহুৱা অনুষ্ঠান-সমূহকে ধৰি ৰাজ্যখনৰ শস্য আৰু সা-সম্পত্তিৰ যথেষ্ট পৰিমাণে ক্ষতি সাধন হয় । বছৰটোত বানপানীৰ ফলত ৰাজ্যখনৰ ২৭·১ লাখ একৰ মাটিৰ এটা অঞ্চলত বসবাস কৰি থকা ৩২ লাখ জনসংখ্যাৰ ক্ষতি সাধন হোৱা বুলি অনুমান কৰা হৈছে । ৰাজ্যখনৰ ৯·৩৪ লাখ একৰ মাটিৰ ধান, মৰাপাট আৰু কঠীয়া এই বানৰ ফলত নষ্ট হয় আৰু শস্য, ঘৰ, ৰাজহুৱা অনুষ্ঠান আৰু অন্যান্য সা-সম্পত্তিৰ ক্ষতিৰ পৰিমাণ মুঠ ২৪·৬০ কোটি টকা হব বুলি নিৰ্দ্ধাৰণ কৰা হৈছে ।

সমগ্ৰ দেশত প্ৰাকৃতিক দুৰ্যোগৰ সৃষ্টি হোৱাৰ ফলত খাদ্য শস্যৰ ক্ষতি পূৰণ কৰিবলৈ আৰু এই খাদ্য শস্য উৎপাদনৰ ঘাটি পূৰণ কৰিবৰ বাবে লোৱা ৰাষ্ট্ৰীয় প্ৰচেষ্টাত অংশ গ্ৰহণ কৰাৰ উদ্দেশ্যে ৰবি শস্যৰ উৎপাদন বৃদ্ধি কৰিবলৈ ৰাজ্যিক চৰকাৰে এখন খৰতকীয়া আঁচনি হাতত লৈছে। উক্ত আঁচনিখন অতি কম সময়ৰ ভিতৰত কাৰ্য্যকৰী কৰা হয় যদিও ১৯৭১-৭২ চনৰ বছৰটোত ২.৮৮ লাখ হেক্টৰ মাটিত ৰবি শস্যৰ খেতি কৰাৰ ঠাইত ১৯৭২-৭৩ চনৰ বছৰটোত ৰবি শস্যৰ খেতি কৰা মাটিৰ পৰিমাণ ৪.৬৬ লাখ হেক্টৰলৈ বৃদ্ধি কৰিব পৰা হৈছে। সৰ্ব্বাধিক পৰিমাণৰ মাটিতে ঘেঁহু খেতি কৰা হৈছে। ১৯৭১-৭২ চনত ঘেঁহুৰ খেতি কৰা মাটিৰ পৰিমাণ আছিল ০.৪৮ লাখ হেক্টৰ। ১৯৭২-৭৩ চনত ঘেঁহু খেতি কৰা মাটিৰ পৰিমাণ হয়গৈ ১.৩ লাখ হেক্টৰ। ৰবি শস্যৰ আঁচনি কাৰ্য্যকৰী কৰাৰ ফলত ১৭.০০০ টন সৰিয়হ, ১০,০০০ টন দাইল, ১,০৮,০০০ টন ঘেঁহু আৰু ৫৫,০০০ টন ধান অতিৰিক্ত হিচাপে উৎপাদন কৰিব পৰা হব বুলি অনুমান কৰা হৈছে। কৃষি উৎপাদন সৰ্ব্বোচ্চ পৰিমাণে বৃদ্ধি কৰিবলৈ আৰু প্ৰতি বছৰে বান-পানীৰ ফলত নষ্ট হোৱা একেটা খেতিৰ ওপৰতে নিৰ্ভৰ নকৰি অন্যান্য আৱশ্যকীয় সা-সঁজুলি যেনে উন্নত সঁচ, সাৰ ইত্যাদিৰ উপৰিও প্ৰয়োজনীয় জলসিঞ্চন ব্যৱস্থাৰ যোগেদি কেবাবিধ শস্যৰ খেতি কৰাৰ ব্যৱস্থা হাতত লবলৈ ৰাজ্যিক চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। এই উদ্দেশ্যে ৰাজ্যিক চৰকাৰে এটা সুকীয়াকৈ জল-সিঞ্চন বিভাগৰ সৃষ্টি কৰিবলৈ সিদ্ধান্ত লৈছে আৰু এই বিভাগটোৱে ৰাজ্যখনৰ সমগ্ৰ জলসিঞ্চন আঁচনি সুসংহত আৰু সমন্বিত ভাবে পৰিচালনা কৰিব। এই বিভাগটো উপযুক্তভাবে সংগঠিত হৈ উঠিলে, আৰু ক্ষুদ্ৰ জলসিঞ্চনৰ ক্ষেত্ৰত অকাৰ্য্যকৰী হোৱা আৰু সঘনে বিনিয়োগ কৰা ধনৰ অপচয় হোৱাটো বন্ধ কৰিব পৰা হব আৰু ভৱিষ্যতে জলসিঞ্চন আঁচনিত বিনিয়োগ কৰা ধন কেবাবিধ শস্যৰ খেতিৰ বাবে লাভজনক হৈ পৰিব।

১৯৪৮-৪৯ চনৰ স্থিৰ মূল্যৰ হিচাপত ১৯৭০.৭১ চনত হোৱা ৰাজ্যিক আয়ৰ পৰিমাণ আছিল ৩৮৯.৯ কোটি টকা। এই ৰাজ্যিক আয় ১৯৭১-৭২ চনৰ বছৰটোত ৪০৫.৩ কোটি টকালৈ বৃদ্ধি পায়। এই বৃদ্ধিৰ হাৰ আছিল মাত্ৰ শতকৰা ৩.৯ ভাগ। ১৯৪৮-৪৯ চনৰ স্থিৰ মূল্যৰ হিচাপত ১৯৭১-৭২ চনত জনমূৰী আয় আছিল ২৭৩ টকা। এই জনমূৰী আয় আগৰ বছৰৰ তুলনাত শতকৰা ০.৬ ভাগ বেছি। ৰাজ্যখনত বস্তুৰ মূল্যমান উৰ্দ্ধগামী হৈ থকা দেখা যায়। পাইকাৰী মূল্যসূচী (১৯৫৩=১০০) ১৯৭১ চনৰ বছৰটোৰ ২৫৩.৬ ভাগৰ পৰা ১৯৭২ চনৰ বছৰটোত ২৬৩.৭ ভাগলৈ বৃদ্ধি পায়। শ্ৰমিক শ্ৰেণীৰ লোকসকলৰ জীৱিকা নিৰ্ব্বাহ ব্যয়-সূচী (১৯৪৯=১০০) ১৯৭১ চনৰ ২৪০ ৰ পৰা ১৯৭২ চনৰ বছৰটোত ২৬১ টকালৈ বৃদ্ধি পায়। ১৯৭২ চনৰ নৱেম্বৰ মাহত সৰ্ব্বোচ্চ পৰিমাণে বাঢ়ি ২৭ , টকা হয়। মূল্যসূচী অলপ দিনৰ বাবে হ্ৰাস পোৱাৰ পিছত পুনৰ ১৯৭৩ চনৰ ফেব্ৰুৱাৰীৰ পৰা বাঢ়িবলৈ ধৰে আৰু ১৯৭৩ চনৰ এপ্ৰিলত মূল্যসূচী ২৭২ হয়গৈ। মূল্যসূচী বৃদ্ধিৰ ফলত নিম্ন আৰু মধ্যম আয়ৰ লোকসকলৰ বিশেষকৈ স্থিৰ আয়বিশিষ্ট শ্ৰেণীৰ লোকসকলে অশেষ কষ্ট ভোগ কৰি আহিছে। অসম দৰ্মহা আয়োগে অলপতে চাকৰিয়াল-সকলৰ দৰ্মহা সংশোধনী বিষয়ৰ প্ৰথম প্ৰতিবেদন দাখিল কৰিছে। এই প্ৰতিবেদনত আয়োগে অন্যান্য পৰামৰ্শৰ উপৰিও বৈজ্ঞানিক ভিত্তিত চৰকাৰী চাকৰিয়ালসকলৰ দৰ্মহাৰ গাথনি কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে আৰু বৰ্ত্তমানে থকা দৰ্মহাৰ নিৰিখৰ লগত সঙ্গতি ৰাখি সংশোধিত নিৰিখৰ দৰ্মহা অনুমোদন কৰিছে। ১৯৭২ চনৰ গড় মূল্যৰ প্ৰতি সততে লক্ষ্য ৰাখি সৰ্ব্বনিম্ন দৰ্মহাৰ নিৰিখ আয়োগে নিৰ্দ্ধাৰণ কৰিছে। ১৯৭৩ চনৰ ১ জানুৱাৰী তাৰিখৰ পৰা সংশোধিত নিৰিখৰ দৰ্মহা দিবলৈ আয়োগে চৰকাৰক

পৰামৰ্শ দিছে আৰু চাকৰিয়ালসকলৰ দৈনিক ভাত্তাৰ হাৰ বৃদ্ধি কৰিবলৈ অনুমোদন কৰিছে। ৰাজ্য চৰকাৰে দৰমহা আয়োগৰ প্ৰতিবেদন সম্পূৰ্ণভাৱে গ্ৰহণ কৰিছে। ৰয়-বস্তুৰ মূল্য বৃদ্ধিৰ ফলত চাকৰিয়ালসকলে ভোগ কৰি অহা কষ্ট সংশোধিত দৰমহাৰ ফলত নিশ্চয় লাঘৱ হব। চৰকাৰে ইতিমধ্যে মঞ্জুৰ কৰা মধ্যবৰ্ত্তীকালীন সাহায্যকে ধৰি সংশোধিত নিৰিখৰ বেতন, অৱসৰপ্ৰাপ্তসকলৰ পেন্সন আদি এই সম্পৰ্কীয় অন্যান্য ব্যয় বহনৰ বাবে চলিত বিত্তীয় বছৰটোত ৭ কোটি টকাৰ প্ৰয়োজন হব।

এই সন্মানিত সদনতে ১৯৭২-৭৩ চনৰ বাবে বাজেট উত্থাপন কৰি ভাষণ দিওঁতে মই ৰিজাৰ্ভ বেংকে 'অভাৰ ড্ৰাফটৰ' সুবিধা বন্ধ কৰি দিয়াৰ ফলত দেখা দিয়া অসুবিধা বিলাকৰ কথা উল্লেখ কৰিছিলোঁ আৰু মন্তব্য কৰিছিলোঁ যে কালক্ৰমত ই পৰোক্ষভাৱে আমাৰ বাবে আশীৰ্বাদস্বৰূপহে হব, যিহেতু এই ব্যৱস্থাই বিত্তীয় সংক্ৰান্তৰ খেলিমেলি দূৰ কৰি সুশৃঙ্খল পন্থা অৱলম্বন কৰাটো সম্ভৱ কৰি তুলিব। ৰাজ্যখনৰ অৰ্থোপায়ৰ ক্ষেত্ৰত যাতে অনাহকতে আঘাত নপৰে তালৈ লক্ষ্য ৰাখি চৰকাৰী বিভাগসমূহৰ ব্যয়সমূহ পৰ্য্যায়ক্ৰমে নিয়মীয়া কৰিবলৈ সৰহভাগ ব্যয়ৰ শিতানতে যোৱা বিত্তীয় বছৰটোত ঋণ পত্ৰৰ (letter of credit) ব্যৱস্থা কৰা হয়। এই ব্যৱস্থাৰ ফলত নানা ধৰণৰ জটিলতাৰে ভৰা 'অভাৰ ড্ৰাফটৰ' বেমেজালি দূৰ কৰাত কৃতকাৰ্য্য লাভ কৰা হয় আৰু বিভাগসমূহেও নিজৰ নিজৰ ব্যয়সমূহ পৰ্য্যায়ক্ৰমে নিৰ্দ্ধাৰণ কৰিবলৈ সুবিধা পায়। তদুপৰি এই ব্যৱস্থাৰ ফলত বিত্তীয় বছৰৰ সামৰণিৰ ফালে হোৱা ব্যয়ৰ পৰিমাণো হ্ৰাস হয়। সেই বাবে চৰকাৰৰ সকলো পৰ্য্যায়ৰ বিভাগসমূহতে এক বিত্তীয় শৃঙ্খলাবদ্ধতা আনিবৰ কাৰণে আৰু হব লগা ব্যয়বোৰ এক নিৰ্দ্দিষ্ট পৰিকল্পনাভুক্ত কৰিবৰ বাবে চলিত বিত্তীয় বছৰতো ঋণ পত্ৰৰ (letter of credit) ব্যৱস্থা অধিক সুদৃঢ় ভাৱে বলবৎ কৰিবলৈ লোৱা হৈছে। মই স্পষ্ট ভাবে কব খোজোঁ যে বৰ্ত্তমান চলি থকা ব্যয়ৰ পৰিকল্পনা ব্যৱস্থা আৰু বিত্তীয় শৃঙ্খলাবদ্ধতাৰ ওপৰত চৰকাৰ সন্তুষ্ট নহয় আৰু সকলো পৰ্য্যায়তে এই মানদণ্ড উন্নত কৰিবলৈ আমি দৃঢ়প্ৰতিজ্ঞ।

## ঋণৰ অৱস্থা :

এই সন্দৰ্ভতে মই মাননীয় সদস্যসকলৰ আগত ৰাজ্যখনৰ দিনে দিনে বৃদ্ধি পোৱা ঋণৰ এটি চমু হিচাপ দাঙি ধৰিব খুজিছোঁ। প্ৰথম যোজনা আৰম্ভ কৰোঁতে ৰাজ্যখনৰ মুঠ ঋণ আছিল ২·৮ কোটি টকা। কিন্তু প্ৰথম যোজনাৰ শেষত এই এই ঋণৰ পৰিমাণ ১৯·৯২ কোটি টকা আৰু দ্বিতীয় যোজনাৰ শেষত ৫৩·৭২ কোটি টকা হয়গৈ। চতুৰ্থ যোজনাৰ আৰম্ভণিতে এই ঋণৰ পৰিমাণ হয়গৈ ২৫৬·৬১ কোটি টকা আৰু ১৯৭৩ চনৰ ১ এপ্ৰিলত এই ঋণৰ পৰিমাণ ৪২১·৬৪ কোটি টকা হবগৈ বুলি অনুমান কৰা হৈছে। এই ঋণৰ ভিতৰত প্ৰথম যোজনাৰ আৰম্ভণিৰে পৰা ৰাজ্যিক যোজনাৰ বাবে ভাৰত চৰকাৰৰ পৰা লোৱা ঋণৰ পৰিমাণ হব মুঠ ২৭৯·১৫ কোটি টকা। চতুৰ্থ যোজনাৰ আৰম্ভনিৰে পৰা কেন্দ্ৰীয় চৰকাৰৰ সাহায্যৰ পদ্ধতি সৰলীকৰণ কৰা হৈছে আৰু সাধাৰণ যোজনাৰ বাবে দিয়া সমুদায় কেন্দ্ৰীয় সাহায্যৰ শতকৰা ৭০ ভাগ ঋণ আৰু শতকৰা ৩০ ভাগ অনুদান হিচাপেহে দিয়াৰ নিয়ম কৰা হয়। এই ব্যৱস্থাৰ ফলত অসমৰ দৰে দুৰ্ব্বল বিত্ত অৱস্থাৰ ৰাজ্য-সমূহে কিছু সকাহ পাইছে। চতুৰ্থ যোজনাৰ আৰম্ভণিৰ পূৰ্ব্বে কেন্দ্ৰীয় সাহায্যৰ পদ্ধতি আছিল আঁচনি ভিত্তিক (Schematic Patterns) আৰু সেইবাবেই এই পদ্ধতি অনুসৰি প্ৰত্যেক আঁচনিৰ বাবে ঋণ আৰু অনুদান দিয়াৰ পদ্ধতি বেলেগ বেলেগ আছিল। নিৰ্দ্দিষ্ট আঁচনিভিত্তিক কাৰ্য্যসূচী নথকা আঁচনিবিলাকক বিবিধ উন্নয়নমূলক ঋণ (Miscellaneous Development Loans) ৰ পৰা সাহায্য

দিয়া হয়। ইয়াৰ ফলত কোনো কোনো আঁচনিয়ে শতকৰা ১০০ অনুদানমূলক সাহায্য লাভ কৰিছিল, কোনো কোনো আঁচনিয়ে শতকৰা ৫০ ভাগ ঋণ আৰু শতকৰা ৫০ ভাগ অনুদান লাভ কৰিছিল আৰু বহুতো আঁচনিয়ে শতকৰা ১০০ ভাগ ঋণ হিচাপেহে সাহায্য লাভ কৰিছিল। এই পৰিস্থিতিত যিবিলাক ৰাজ্যৰ বিত্তীয় অৱস্থা উন্নত সেইবিলাকে কেন্দ্ৰীয় সাহায্যৰ সদ্ব্যৱহাৰ কৰিবলৈ সক্ষম হৈছিল; কাৰণ সেই ৰাজ্য বিলাকৰ সৰ্বাধিক অনুদান লাভ কৰাৰ অৰ্হতা থকা আচঁনিবিলাকে কেন্দ্ৰীয় অনুদান পাইছিল আৰু বাকী ব্যয়খিনি ৰাজ্যবিলাকে নিজৰ নিজৰ সম্পদৰ পৰা বহন কৰিছিল। কিন্তু অসমৰ নিচিনা ৰাজ্যবিলাকে—যাৰ বিত্তীয় অৱস্থা দুৰ্বল আৰু বাজেটৰ ৰাহি নাথাকে, এই ক্ষেত্ৰত আন একো পন্থা অৱলম্বন কৰিব নোৱাৰি আচঁনিবোৰ কৃতকাৰ্য্য কৰিবৰ বাবে আৱশ্যকীয় বাকী ধনৰ কাৰণে ঋণ হিচাপে কেন্দ্ৰীয় সাহায্য লব লগা হয়। উদাহৰণস্বৰূপে তৃতীয় যোজনাৰ কালছোৱাত মুঠ কেন্দ্ৰীয় সাহায্য ১০১.৬৭ কোটি টকাৰ ভিতৰত মাত্ৰ ২৪.৪ কোটি টকা বা শতকৰা ২৪ ভাগহে আমাক অনুদান হিচাপে দিছিল। বাকী টকাৰ ২১.৫৭ কোটি টকা আঁচনি ভিত্তিক ঋণ হিচাপে আৰু ৫৫.৭ কোটি টকা বিবিধ উন্নয়নমূলক ঋণ হিচাপেহে দিছিল। মুঠ ৮৩.৯৪ কোটি টকাৰ কেন্দ্ৰীয় সাহায্যৰ সৈতে আৰম্ভ কৰা তিনিটা তদৰ্থ বাৰ্ষিক যোজনাৰ সময়ত এই ঋণৰ অৱস্থা অধিক শোচনীয় আছিল। এই কেন্দ্ৰীয় সাহায্যৰ ভিতৰত মুঠ অনুদান আছিল ১৪.৫ কোটি টকা বা শতকৰা ১৭.২৭ ভাগ আৰু বাকী সাহায্যৰ ভিতৰত ১৯.১৪ কোটি টকা দিছিল আঁচনি ভিত্তিক ঋণৰ হিচাপত আৰু ৫০.২৯ কোটি টকা দিছিল বিবিধ উন্নয়মূলক ঋণৰ হিচাপত। খণ্ড ঋণ (Block Loan) আৰু অনুদান পদ্ধতি প্ৰৱৰ্তন কৰাৰ ফলত অসমৰ দৰে দুৰ্বল বিত্তীয় অৱস্থাৰ ৰাজ্য-সমূহৰ অৱস্থা অলপ উন্নত হৈছে। কিন্তু যোৱা কেই বছৰত হোৱা এই বিৰাট পৰিমাণৰ ঋণ আৰু তাৰ সুত পৰিশোধ কৰাৰ সমস্যা এতিয়াও আমাৰ বাবে সমস্যা হৈয়েই আছে আৰু আমাৰ ৰাজহৰ বাজেটৰ পৰাই এই ঋণ পৰিশোধ কৰিব লাগিব। মাননীয় সদস্যসকলক মই এইখিনিতে জনাব খোজোঁ যে কেৱল ১৯৭২-৭৩ চনৰ ভিতৰতে কেন্দ্ৰীয় চৰকাৰক দিবলগীয়া সুতৰ পৰিমাণ ১৪.৬৯ কোটি টকা হয়গৈ।

এই সম্পৰ্কত উল্লেখযোগ্য যে এই ঋণৰ পৰাই কিছুমান ক্ষেত্ৰত বৃহৎ ধৰণৰ ধন বিনিয়োগ কৰা হৈছে। বৰ্ত্তমানলৈকে আমি বাননিয়ন্ত্ৰণ আৰু জলসিঞ্চনৰ কামত মুঠ ৭৯.৩৮ কোটি টকা বিনিয়োগ কৰিছোঁ। অসম ৰাজ্যিক বিদ্যুৎ মণ্ডলীক্যে আমি ৭১.৬৭ কোটি টকা ঋণ হিচাপে দিছোঁ। কেৱল এই দুটা খণ্ডতেই আমি ১৫০ কোটিতকৈ অধিক টকা বিনিয়োগ কৰিছোঁ। কিন্তু মাননীয় সদস্য সকলে জানে যে এই বৃহৎ পৰিমাণৰ ধন বিনিয়োগৰ পৰা যথেষ্ট পৰিমণে প্ৰত্যক্ষ বিত্তীয় আয় ৰাজ্য চৰকাৰে লাভ কৰাটো সম্ভৱ নহয়। তদুপৰি আমি শিক্ষা আৰু স্বাস্থ্য নিচিনা বিভাগৰ ব্যয় বহনৰ বাবেও এই ঋণ কৰি অনা টকা বিনিয়োগ কৰিবলৈ বাধ্য হৈছো আৰু এই বিনিয়োগৰ পৰাও চৰকাৰে যথাৰ্থ ভাৱে বিত্তীয় লাভালাভ নাপায়। প্ৰাকৃতিক দুৰ্যোগৰ বাবে হোৱা অনিবাৰ্য্য ব্যয়ৰ বাবে পোৱা ঋণমূলক সাহায্যবিলাকেও ৰাজ্যখনৰ ঋণৰ বোজা বৃদ্ধি কৰিছে।

মাননীয় সদস্যসকলে জানে যে আগৰ বিত্তীয় আয়োগবিলাকে কেৱল ৰাজহৰ ঘাটিৰ প্ৰতিহে মনোযোগ দিছিল যাৰ ফলত ৰাজহৰ শিতানৰ বাহিৰৰ বাজেটৰ ঘাটি পূৰণৰ দায়িত্ব চৰকাৰৰ হাতত থাকি গ'ল। অসমৰ নিচিনা দুৰ্বল বিত্তীয় অৱস্থাৰ ৰাজ্যৰ পক্ষে মূল-ধনী শিতানৰ এনে ঘাটি পূৰণৰ বাবে যথেষ্ট ৰাহি ৰাজহ সংগ্ৰহ কৰা সম্ভৱ নহয়।

পঞ্চম বিত্তীয় আয়োগে অনাদায়ী সুত আৰু ৰাজহ আদায়ৰ ক্ষেত্ৰত লোৱা কিছুমান অযুক্তিকৰ মনোভাবে এনেকি ৰাজহ শিতানৰ ঘাটি খিনিকো সামৰি নোলোৱাটো অসমৰ পক্ষে বৰ দুৰ্ভাগ্যজনক। ইয়াৰ ফলস্বৰূপে ১৯৬৯ চনৰ নবেম্বৰ মাহত বিত্ত মন্ত্ৰীদপ্তৰ আৰু যোজনা আয়োগৰ মাজত যুটীয়া ভাবে চতুৰ্থ যোজনাৰ বাবে ৰাজ্যৰ সম্পদ নিৰূপণ কৰোতে দেখা গল যে অসমৰ যোজনা বহিৰ্ভূত ঘাটি ১১৫ কোটি টকা হব। ভাৰত চৰকাৰে এই ঘাটি পূৰাবৰ অৰ্থে বিশেষ ঋণ দিবলৈ সন্মত হয়। ইয়াৰ পিছত ১৯৭১ চনৰ আগষ্ট মাহত যোজনা আয়োগ আৰু বিত্তীয় মন্ত্ৰী দপ্তৰে যুটীয়া ভাবে সম্পদৰ ক্ষেত্ৰত চলোৱা মধ্যকালীন পৰ্য্যালোচনাত ঘাটিৰ পৰিমাণ ১৬৫ কোটি টকালৈ বৃদ্ধি হোৱাটো পৰিলক্ষিত হয়। এই বৰ্দ্ধিত ঘাটি পূৰণ কৰিবলৈ বিত্ত মন্ত্ৰীদপ্তৰে অতিৰিক্ত বিশেষ ঋণ দিবলৈ সন্মত হোৱা নাছিল। সি যি কি নহওক তেওঁলোক কাৰ্য্যতঃ অসমৰ প্ৰতি অতি সহানুভূতিশীল আৰু সেইবাবে এই যোজনা বহিৰ্ভুত ঘাটি পূৰণৰ বাবে বিশেষ ঋণৰ বাহিৰেও তদৰ্থ ঋণ আগবঢ়াই আমাক সহায় কৰিছিল। চতুৰ্থ যোজনাৰ পহিলা চাৰি বছৰৰ ভিতৰত ভাৰত চৰকাৰে ৰাজ্য চৰকাৰক মুঠ ঋণ সাহায্য আগবঢ়াইছিল ১৩৫.৫২ কোটি টকা আৰু চলিত বছৰত আমি ২২.৯৯ কোটি টকাৰ ঋণ সাহায্য পাম। গতিকে এইটো দেখা যায় যে গোটেই চতুৰ্থ যোজনাৰ কালছোৱাত যোজনাৰ বহিৰ্ভুত ঘাটি পূৰণৰ বাবে ভাৰত চৰকাৰৰ পৰা পোৱা ঋণ সাহায্যৰ পৰিমাণ হব ১৫৮.৫১ কোটি টকা। এই ঋণ সাহায্য মুঠ স্বীকৃত ঘাটি ১৬৫ কোটি টকাতকৈ ৬.৪৯ কোটি টকাই কম। মহোদয়, মই এইখিনিতে ভাৰত চৰকাৰে আগবঢ়োৱা সাহায্যৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰিলোঁ।

দৰাচলতে ৰাজ্য চৰকাৰে ঋণৰ বোজা এই হাৰত বাঢ়ি থাকিবলৈ দিব নোৱাৰে। নতুনকৈ ধাৰে লোৱা ধন যাতে পৰিশোধ কৰিব পৰা যায় তাৰ বাবে যথেষ্ট বিত্তীয় আয় লাভ কৰিব পৰাকৈ ভবিষ্যতে ধন বিনিয়োগ কৰাটো অতীব প্ৰয়োজনীয় কথা আৰু সম্ভৱ হলে ইতিমধ্যে খৰচ কৰা ঋণৰ টকাৰ অন্ততঃ সুতখিনি পৰিশোধ কৰিব পৰাকৈ প্ৰয়োজনীয় বাহিও কৰিব লাগে। যিহেতু এই বছৰটো যোজনাৰ শেষৰ বছৰ আৰু যোজনাৰ সৰহভাগ আঁচনিৰ কামো চলি আছে তেনে অৱস্থাত এই বিত্তীয় বছৰত যোজনাৰ ধন বিনিয়োগৰ পদ্ধতিৰ কোনো তাৎপৰ্য্যপূৰ্ণ সালসলনি কৰাটো সম্ভৱ নহয়; তথাপি এই দিশটোৰ প্ৰতি ভালদৰে মনোনিবেশ কৰা আৰু পঞ্চম যোজনাত অন্তৰ্ভুক্ত কৰা আঁচনিসমূহত প্ৰয়োজনীয় সম্পদ আহৰণৰ প্ৰতি গুৰুত্ব দিয়াটো আৱশ্যক। যেতিয়া জনসাধাৰণৰ প্ৰত্যেক্ষ লাভালাভৰ বাবে ধন বিনিয়োগ কৰা হয়, তেনে অৱস্থাত এইটো উপলব্ধি কৰাটো আৱশ্যক যে উপকৃত লোকসকলেও তেওঁলোকে পোৱা এই লাভৰ বাবে ঋণ পৰিশোধ কৰাৰ দায়িত্ব স্বেচ্ছাই গ্ৰহণ কৰা উচিত। এই সচেতনতা জগাই তুলিব নোৱাৰিলে, ৰাজ্য চৰকাৰৰ পক্ষে উন্নয়নমূলক আঁচনিৰ বাবে নতুন নতুন ঋণ লৈ থকাটো সম্ভৱপৰ নহয়। কিয়নো জনসাধাৰণৰ ওপৰত এই ঋণৰ বোজা অতি সোনকালে দুৰ্বহ হৈ উঠিব।

বিত্তীয় আয়োগ:

এই সংক্ৰান্তত মই বিত্তীয় আয়োগৰ কথা চমুকৈ উল্লেখ কৰিব খোজোঁ। মাননীয় সদস্য সকলে জানে যে ষষ্ঠ বিত্তীয় আয়োগক ৰাজ্যসমূহৰ ঋণৰ অৱস্থা সম্পৰ্কে পৰীক্ষা কৰিবলৈ আৰু কেন্দ্ৰীয় ঋণৰ নিৰিখ নতুনকৈ নিৰ্দ্ধৰণ সম্পৰ্কে অনুমোদন জনাবলৈ অনুৰোধ কৰা হৈছে। বিত্তীয় আয়োগক এই জটিল সমস্যাটো পৰীক্ষা কৰি চাবলৈ আৰু উপদেশ দিবলৈ নিৰ্দ্দেশ দিয়া বাবে ৰাজ্য চৰকাৰ অতিশয় উৎসাহিত হৈছে। বিত্তীয় আয়োগক দিয়া আমাৰ স্মাৰক-পত্ৰত অনাদায়ী ঋণ সমূহ নিৰ্ব্বাচনৰ ভিত্তিত পৰিহাৰ কৰাৰ বাবে অমি পৰামৰ্শ আগবঢ়াইছো যাতে কোনো দিনে

পৰিশোধ কৰিব নোৱাৰা ঋণৰ বোজা বহন কৰিবলৈ ৰাজ্য চৰকাৰসমূহক অযথাভাবে বাধ্য কৰোৱা নহয়। আমি বিশেষকৈ অনুমোদন কৰিছোঁ যে অনা-উৎপাদনমূলক ব্যয় আৰু যোজনা বহিৰ্ভূত ঘাটি পূৰণৰ বাবে আগবঢ়োৱা ঋণ সাহায্য পৰিহাৰ কৰিব লাগে। উদাহৰণ স্বৰূপে আমি মথাউৰী নিৰ্ম্মাণত যথেষ্ট ধন বিনিয়োগ কৰিছোঁ। মাননীয় সদস্য সকলে জানে যে যথোচিত সম্বলৰ অভাৱত ব্যাপক ধৰণে বান নিয়ন্ত্ৰণৰ সমস্যা সমাধান কৰাটো ৰাজ্য চৰকাৰৰ বাবে সম্ভৱপৰ নাছিল। যদিও উপনদী সমূহৰ নিয়ন্ত্ৰণ, উপনদী সমূহৰ পৰা ব্ৰহ্মপুত্ৰলৈ বৈ যোৱা পানীৰ সোঁত নিয়মীয়া কৰা আদি বান-নিয়ন্ত্ৰণৰ মাষ্টাৰ প্লেনৰ জৰিয়তেহে বানপানীৰ সমস্যাটো সক্ৰিয় ভাবে সমাধান কৰিব পৰা যায়, তথাপিও বানপানীৰ গৰাহৰ পৰা শস্য আৰু ঘৰদুৱাৰ বিনষ্ট হোৱাটো ৰক্ষা কৰিবলৈ ৰাজ্য চৰকাৰে প্ৰতি বছৰে মথাউৰি নিৰ্ম্মাণত যথেষ্ট টকা ব্যয় কৰিবলৈ বাধ্য হৈছে। যথাৰ্থতে এই কথা উপলব্ধি কৰিয়েই ভাৰত চৰকাৰে যম্প্ৰতি ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ আয়োগৰ কাম-কাজ নিজ হাতলৈ নিবলৈ সন্মত হৈছে যাতে ৰাজ্যখনত প্ৰকৃত বাননিয়ন্ত্ৰণ ব্যৱস্থা কাৰ্য্যকৰী কৰিবলৈ যথোপযুক্ত পুঁজি বিনিয়োগ কৰিব পাৰে। এইটো সঁচা যে মথাউৰি নিৰ্ম্মাণ কেৱল এটা হ্ৰস্বকালীন সমাধানহে। এই ক্ষেত্ৰতো আনকি প্ৰয়োজনীয় অসংখ্য প্ৰতিৰোধমূলক মথাউৰি বান্ধিবলৈ যথেষ্ট ধনৰ অভাৱৰ হেতুকে ইয়াৰ আহি আৰু নিৰ্ম্মাণৰ মান নিম্ন খাপৰ হয় আৰু ফলস্বৰূপে ইয়াৰ উপৰেদি পানী বাগৰে আৰু ই ভাগে। ঋণ সাহায্যৰ পৰা এই মথাউৰিবোৰত খটোৱা ধনো পৰিহাৰ কৰাটো উচিত হব যিহেতু দেখ দেখকৈ এই ধন খটোৱাৰ পৰা 'উন্নয়ন কৰ' (betterment levy) হিচাপে কোনো আৰ্থিক আয় লাভ কৰাটো সম্ভৱ নহয়।

বিত্তীয় আয়োগৰ বিষয় বস্তুৰ ক্ষেত্ৰত মই সদনক জনাব খোঁজো যে আয়োগে ৰাজ্যসমূহৰ ৰাজহৰ প্ৰয়োজনীয়তা নিৰ্দ্ধাৰণ কৰোঁতে ১৯৭২ চনৰ পহিলা জানুৱাৰীত পৰিলক্ষিত হোৱা চৰকাৰী চাকৰীয়াল, শিক্ষা আৰু স্থানীয় নিকায়ৰ কৰ্ম্মচাৰী সকলৰ বেতনৰ কথাহে বিবেচনা কৰাৰ মনোভাৱ বৰ্ত্তমানলৈ পোষণ কৰি আহিছে। বিত্তীয় আয়োগৰ ওচৰত দাখিল কৰা আমাৰ স্মাৰক-পত্ৰত আমি এই কথা উল্লেখ কৰিছোঁ যে ৰাজ্য চৰকাৰে ১৯৭১ চনত আগষ্ট মাহত এটা দৰমহা আয়োগ গঠন কৰিছে আৰু আয়োগৰ প্ৰতিবেদন কেৱল ১৯৭৩ চনত মাৰ্চ্চ মাহত দাখিল কৰাৰ আশা আছে। আমি এই কথা নদি কৈছিলোঁ যে যদিহে ষষ্ঠ বিত্তীয় আয়োগে দৰমহা আয়োগৰ অনুমোদনৰ ভিত্তিত কৰা দৰমহা সংশোধনৰ ফলত বিত্তীয় প্ৰয়োজনীয়তাৰ কথা কেৱল ১৯৭২ চনত ১লা জানুৱাৰীত তেনে দৰমহা সংশোধন হোৱা নাই বুলিয়েই হিচাপত নধৰে তেনেহলে ই বৰ দুৰ্ভাগ্যজনক কথা হব। এই বিষয়ত এটা অবাস্তৱিক মনোভাৱ গ্ৰহণ কৰিলে ৰাজ্যখনৰ বিত্তীয় অৱস্থাত এক ভয়াবহ ফলাফলে দেখা দিব বুলি যাতে ষষ্ঠ বিত্তীয় আয়োগে অনুভৱ কৰে আৰু দৰমহা সংশোধনৰ ফলত হোৱা বিত্তীয় ব্যয় ভাৰ সম্পূৰ্ণৰূপে পূৰণ কৰিবলৈ যথোপযুক্ত ধনৰ অনুমোদন কৰে এইটোৱে চৰকাৰৰ ঐকান্তিক আশা।

## নিয়োগঃ

ৰাজ্যপালে সদনত দিয়া ভাষণ প্ৰসঙ্গত চৰকাৰে নিবনুৱা সমস্যা সমাধানৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ কথা সাধাৰণ ভাবে উল্লেখ কৰিছে। মই এতিয়া চৰকাৰ আৰু সদনক গভীৰ ভাবে উদ্বিগ্ন কৰি তোলা বিশেষকৈ বৰ্দ্ধিত শিক্ষিত নিবনুৱা সমস্যাৰ কথাহে উল্লেখ কৰিম। নিয়োগ বিনিময় কেন্দ্ৰসমূহৰ ৰেজিষ্টাৰ অনুসৰি আমাৰ ২৩,000 প্ৰবেশিকা বা উচ্চ শিক্ষাৰে শিক্ষিত নিবনুৱা আছে। দৰাচলতে শিক্ষিত নিবনুৱাৰ প্ৰকৃত সংখ্যা ইয়াতকৈ বহু বেচি হব। কিয়নো সকলো শিক্ষিত নিবনুৱাই নিয়োগ বিনিময় কেন্দ্ৰত নাম ভৰ্ত্তি কৰা নাই। এই শিক্ষিত যুৱকসকলক তেওঁলোকৰ জীৱিকা

উলিওৱাত আৰু তেওঁলোকক সমাজত উপযুক্ত ব্যক্তি হিচাবে গঢ়ি তোলাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ এটা বিশেষ দায়িত্ব আছে। দুৰ্ভাগ্যবশতঃ যাতায়াতৰ অসুবিধা আৰু ৰাজ্যখনৰ গুৰুত্বপূৰ্ণ অৱস্থিতিৰ কাৰণে এই অঞ্চলত বেচৰকাৰী মূলধন খটুৱাবলৈ দ্বিধা-বোধ কৰে আৰু ফলস্বৰূপে ৰাজ্যখনত এটা ঔদ্যোগিক বাতাবৰণ গঢ়ি উঠা নাই। মজলীয়া আৰু ক্ষুদ্ৰ উদ্যোগ বৃহৎ আকাৰত গঢ়ি তুলিবলৈও ৰাজ্য চৰকাৰৰ নিজস্ব সমল যথেষ্ট নাই। ফলস্বৰূপে ব্যক্তিগত উদ্যোগপতিৰ অভাৱ আৰু এইবোৰ গঢ়ি তোলাৰ আৱশ্যক হৈছে। বেঙ্ক ৰাষ্ট্ৰীয়কৰণ হোৱাৰ লগে লগে সমলৰ নাটনি যথেষ্ট পৰিমাণে কমি আহিছে। সম্প্ৰতি দূৰ কৰিবলগীয়া প্ৰধান অসুবিধাসমূহ হ'ল বৃহৎ পৰিমাণৰ নিয়োগৰ সম্ভাৱনীয়তাৰে অৰ্থনৈতিক স্বাৱলম্বিতাপূৰ্ণ বিস্তৃত আঁচনি প্ৰস্তুত কৰা আৰু বেঙ্কসমূহক তেওঁলোকৰ নীতিসমূহ সৰল কৰিবলৈ আৰু তৰুণ উদ্যোগপতিসকলৰ জামিন আৰু প্ৰয়োজনীয় মূলধন সম্পৰ্কে থকা নীতিসমূহ শিথিল কৰিবলৈ প্ৰত্যয় জন্মোৱা। আমি ষ্টেট বেঙ্ক অব ইণ্ডিয়া আৰু অন্যান্য ৰাষ্ট্ৰীয়ত্ব বেঙ্কৰ উৰ্দ্ধতন পৰিচালক মণ্ডলীৰ লগত এই বিষয়ে বিস্তৃত আলোচনা চলাইছো আৰু তেওঁলোকেও তৰুণ উদ্যোগ-পতিসকলক আৱশ্যকীয় মূলধনৰ যোগান ধৰি সহযোগিতা কৰিব বুলি চৰকাৰক আশ্বাস দিছে। এতিয়া প্ৰধান কাম হ'ল শিক্ষিত যুৱকসকলক ক্ষুদ্ৰ উদ্যোগ, কৃষি আৰু অন্যান্য আত্মনিয়োগৰ আঁচনিসমূহ গ্ৰহণ কৰিবৰ বাবে উৎসাহ যোগোৱা আৰু প্ৰশিক্ষণ দিয়া। এই ক্ষেত্ৰত ২৮ জন বিষয়াক হায়দৰাবাদৰ ক্ষুদ্ৰ উদ্যোগ সম্প্ৰসাৰণ প্ৰশিক্ষণ অনুষ্ঠানৰ সৌজন্যত প্ৰশিক্ষণ দি আমি ইয়াৰ পাতনি মেলিছো। প্ৰশিক্ষণপ্ৰাপ্ত এই বিষয়াসকলৰ প্ৰধান কৰ্ত্তব্য হব অসমৰ বিভিন্ন অঞ্চল পৰিদৰ্শন কৰি নিৰ্ব্বাচিত নিবনুৱা যুৱকসকলক প্ৰশিক্ষণ দিয়া আৰু তেওঁলোকৰ আত্ম-নিযুক্তিত সহায় কৰা। এই ক্ষেত্ৰত তেওঁলোকৰ দায়িত্ব এলানি বক্তৃতা দিয়াতে সীমাবদ্ধ নহৈ নিবনুৱাসকলক উৎসাহ যোগাই অৰ্থনৈতিক ভাৱে স্বাৱলম্বী আঁচনি প্ৰস্তুত কৰাত সকলো প্ৰকাৰে সহায় কৰিব লাগিব আৰু বেঙ্কৰ পৰা আৱশ্যকীয় বিত্ত লাভ কৰাতো সহায় কৰিব লাগিব। যদি এই পৰীক্ষামূলক ব্যৱস্থাটো কৃতকাৰ্য্য হয় তেন্তে ৰাজ্যখনৰ শিক্ষিত নিবনুৱা সমস্যা সমাধান কৰাৰ এটা সু-আৰম্ভণি কৰিব পাৰিম।

আত্মনিযুক্তিৰ ক্ষেত্ৰত আগভাগ লোৱা আৰু চৰকাৰে আগবঢ়োৱা কাৰিকৰী পৰামৰ্শ আৰু দিহাভৰসা অদিৰ সম্পৰ্ণ সুযোগ গ্ৰহণ কৰাটো শিক্ষিত যুৱকসকলৰ বাবেও প্ৰয়োজনীয় কথা। ইয়াৰ লগতে আমি এইটো কথাও মানি লব লাগিব যে ৰাজ্যখনত বহু সংখ্যক অশিক্ষিত আৰু কম শিক্ষিত নিবনুৱাও আছে যি সকলে উপযুক্ত নিৰ্দ্দেশনা আৰু অন্যান্য কাৰণত আনকি আত্মনিযুক্তিৰ প্ৰশস্ত পথ বাচি লব নোৱাৰিবও পাৰে। এনে ধৰণৰ লোক সকলক সহায় কৰিবৰ বাবে চৰকাৰে তেনে নিবনুৱা লোকসকলক সংগঠিত কৰিবলৈ আৰু উৎসাহ যোগাবলৈ স্থানীয় নেতৃত্বৰ সহায় বিচৰাৰ চেষ্টা চলাই আছে যাতে এই লোকসকলে যথোপযোগী ক্ষেত্ৰ-সমূহত আত্মনিয়োজিত হব পাৰে।

নতুন আঁচনিঃ

এইখিনিতে মই সন্মানীত সদনত চৰকাৰে গ্ৰহণ কৰা কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ বিষয়ে জনাব খোজোঁ। ৰাজ্য চৰকাৰে অসমৰ সকলো প্ৰাথমিক স্কুলৰ শিক্ষকৰ পদবী চৰকাৰী কৰিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। এই ব্যৱস্থা মতে স্কুলৰ শিক্ষকসকল সকলো ক্ষেত্ৰতে চৰকাৰী চাকৰিয়ালৰ দৰে গণ্য কৰা হব আৰু এই উদ্দেশ্যে চলিত বিত্তীয় বছৰটোত এই শিতানত অতিৰিক্ত ৭৮ লাখ টকাৰ প্ৰয়োজন হব বুলি নিৰ্দ্ধাৰণ কৰা হৈছে। ৰাজ্য চৰকাৰে গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বাৰ্ষিক পৰিনিয়ত মঞ্জুৰী বৰ্ত্তমানৰ ২০ লাখ টকাৰ পৰা ৪০ লাখ টকালৈ বৃদ্ধি কৰিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে।

যোৱা বছৰটোত অশান্তিকৰ আইন-শৃঙ্খলাৰ পৰিস্থিতি আৰু কেতবোৰ পশ্চাদঘাটী শক্তিয়ে এই পৰিস্থিতিৰ অযথা সুযোগ লবলৈ কৰা যত্নৰ বাবে আইন-শৃঙ্খলাৰ ব্যৱস্থা শক্তিশালী কৰাটো অপৰিহাৰ্য্য হৈ পৰে। এই ক্ষেত্ৰত প্ৰথম ব্যৱস্থা হিচাপে ৰাজ্য চৰকাৰে অন্য এটা পুলিচ বেটেলিয়ান গঢ়ি তোলা আৰু আৰক্ষী আয়োগৰ পৰামৰ্শ অনুসৰি আৰক্ষী চকীৰ সংখ্যা বৃদ্ধি কৰা আঁচনিৰ অংশ হিচাপে এই বিত্তীয় বছৰত ৮টা আৰক্ষী চকী স্থাপন কৰিবলৈ সিদ্ধান্ত লয়। এটা সুকীয়া সশস্ত্ৰ আৰক্ষী প্ৰশিক্ষণ কেন্দ্ৰ আৰু অন্য এখন মকবল কৰা লোকৰ প্ৰশিক্ষণ বিদ্যালয় স্থাপন কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। বিশেষ ধৰণৰ অৰ্হতা লগা সেৱাত কৰ্ম্মচাৰী লোৱাৰ উপৰিও অভিযোগ সম্পৰ্কীয় বিষয়ত কৰ্ম্মচাৰীৰ সংখ্যা বঢ়োৱা আৰু আৰক্ষী বাহিনী আধুনিকীকৰণৰ বাবেও ব্যৱস্থা লব ধৰা হৈছে। এই সকলোবোৰ বিষয়ৰ বাবেই আৱশ্যকীয় ধনৰ ব্যৱস্থা নিৰ্দ্ধাৰণত ধৰা হৈছে।

## বাৰ্ষিক যোজনা—১৯৭৩-৭৪:

মই এতিয়া ১৯৭৩-৭৪ চনৰ বাৰ্ষিক যোজনাত ধাৰ্য্য কৰা ধন সম্পৰ্কে চমুকৈ উল্লেখ কৰিম। বাৰ্ষিক যোজনাত ধাৰ্য্য কৰা মুঠ ধনৰ পৰিমাণ হল ৫২.৯৭ কোটি টকা। তাৰে ৪৫.৩৪ কোটি টকা কেন্দ্ৰীয় সাহায্য আৰু বাকী ৭.৬৩ কোটি টকা ৰাজ্য চৰকাৰৰ বৰঙনি। অসমে গ্ৰহণ কৰা বাৰ্ষিক যোজনাসমূহৰ ভিতৰত এই-খনেই আটাইতকৈ ডাঙৰ বাৰ্ষিক যোজনা আৰু এই যোজনাত ১৯৭২-৭৩ চনৰ বাৰ্ষিক যোজনাতকৈ ১২ কোটি টকা বেচিকৈ ধৰা হৈছে। যোজনাত ধৰা এই উচ্চতৰ ধন সম্পূৰ্ণৰূপে আৰু ভালদৰে ব্যয় কৰি জনসাধাৰণৰ সৰ্ব্বোচ্চ হিতসাধন কৰিবলৈ হলে ৰাজ্য চৰকাৰৰ সকলো বিভাগে তেওঁলোকৰ প্ৰশাসনীয় যন্ত্ৰ শক্তিশালী কৰি গঢ়ি তোলা প্ৰয়োজন।

## ১৯৭১-৭২ চনৰ হিচাপ:

মই এতিয়া ১৯৭১-৭২ চনৰ হিচাপৰ কথা উল্লেখ কৰিব খোজোঁ। ১৯৭১-৭২ চনৰ সংশোধিত নিৰ্দ্ধাৰণত সামৰণিৰ উদ্বৃত্তত ৩,২৪১.৩৯ লাখ টকাৰ ঘাটি পৰিলক্ষিত হলেও হিচাপ অনুসৰি তদনুৰূপ সামৰণিৰ উদ্বৃত্তত (—) ৩,১০৬.৬৭ লাখ টকাহে ঘাটি হ'ব। অৱশ্যে হিচাপত ৪,১৭৫.৪৩ লাখ টকাৰ অভাৱ ড্ৰাফ্‌ট্ জমা হিচাপে দেখুৱা হৈছে। ইয়াৰ ফলত হিচাপত সামৰণিৰ উদ্বৃত্তত ১,০৬৮.৭৬ লাখ টকা জমা থকা দেখা গৈছে।

## ১৯৭২-৭৩ চনৰ সংশোধিত হিচাপ:

১৯৭২-৭৩ চনৰ সংশোধিত নিৰ্দ্ধাৰণলৈ চালে ৰাজহ জমাৰ শিতানত ৬.১২ কোটি টকা, মূলধন জমাৰ শিতানত ১২.৬৮ কোটি টকা আৰু ৰাজহুৱা হিচাপৰ শিতানত ১.৩৪ কোটি টকা বৃদ্ধি পোৱা দেখা যায়। ব্যয়ৰ শিতানত ৰাজহুৱা হিচাপৰ ক্ষেত্ৰত আংশিক ভাবে প্ৰায় ১৯.০০ কোটি টকা হ্ৰাস পোৱা সত্বেও ৰাজহ ব্যয় ৭.০০ কোটি টকাতকৈ অলপ বেচি হয় আৰু মূলধন ব্যয় প্ৰায় ২৮.৪১ কোটি টকা বৃদ্ধি পায়। ফলস্বৰূপে বছৰটো ২.৮০ কোটি টকা বাহি উদ্বৃত্তৰে সামৰণি পৰে। মই এইখিনিতে এটা কথা কব খোজোঁ। আৰক্ষী, মিজো অশান্তি আৰু কেতবোৰ কেন্দ্ৰীয় ভাবে লোৱা আঁচনিৰ ক্ষেত্ৰত হোৱা ব্যয়ৰ টকা আমি সম্পূৰ্ণ ৰূপে নোপোৱাৰ হেতুকে ভাৰত চৰ-কাৰক মূলধন আৰু সুত হিচাপে দিবলগীয়া ৯.৩৮ কোটি টকা পৰিশোধ কৰিব পৰা

হোৱা নাই। বানপানীৰ ক্ষয়-ক্ষতিৰ উদ্ধাৰ কাৰ্য্যত চলিত বছৰত খৰচ কৰিব লগীয়া প্ৰায় ১'৮০ কোটি টকাৰ নিৰ্দ্ধাৰিত কেন্দ্ৰীয় সাহাৰ্য্যও আৰম্ভণিৰ উদ্বৃত্তত ধৰা হৈছে। এইবোৰ ধৰিলে, প্ৰকৃততে সামৰণিৰ উদ্বৃত্তত ৮'৩৫ কোটি টকা ঘাটি পৰিব। অৱশ্যে চলিত বছৰৰ নিৰ্দ্ধাৰণত ৯'৩৮ কোটি টকা পৰিশোধ কৰাৰ বাবে ব্যৱস্থা কৰা হৈছে।

১৯৭৩-৭৪ চনৰ বাজেটঃ

সম্প্ৰতি মই ১৯৭৩-৭৪ চনৰ বাজেট নিৰ্দ্ধাৰণ উত্থাপন কৰিব খোজোঁ। বছৰটোত ৰাজহ আয় ১৩,৭৭৭'৩৮ লাখ টকা আৰু ৰাজহ ব্যয় ১৫,৬৪৯'১১ লাখ টকা হব বুলি নিৰ্দ্ধাৰণ কৰা হৈছে। ইয়াৰ ফলত ৰাজহ হিচাপত ১,৮৭১'৮১ লাখ টকা ঘাটি পৰিব। ৰাজহ হিচাপৰ বাহিৰত মুঠ জমা ২০,৮৪৬.৭৬ লাখ টকা আৰু মুঠ ব্যয় ১৯৩,৫৩'৯৯ লাখ টকা হব বুলি নিৰ্দ্ধাৰণ কৰা হৈছে। ফলত ৰাজহ হিচাপৰ বাহিৰত ১৪৯২.৭৭ লাখ টকা ৰাহি হব। আৰম্ভণিৰ উদ্বৃত্ত ২৮৩'৪০ লাখ টকা ইয়াৰ লগত ধৰিলে বছৰটো ৯৫'৬৪ লাখ টকাৰ ঘাটি উদ্বৃত্তৰে সামৰণি পৰিব।

মই এইটো কথা কব খোজোঁ যে ১৯৭২ চনৰ নবেম্বৰৰ মাহত ৰাজ্য চৰকাৰৰ ১৯৭৩-৭৪ চনৰ যোজনাৰ বহিৰ্ভূত ঘাটিৰ বিষয়ে বিত্তমন্ত্ৰী দপ্তৰ আৰু যোজনা আয়োগৰ লগত যুটীয়া ভাবে আলোচনা কৰোতে এইটো নিৰ্দ্ধাৰণ কৰা হৈছিল যে কোনো ডাঙৰ প্ৰাকৃতিক দুৰ্যোগ নহব বুলি ধৰিলেও দৰমহা সংশোধনৰ বাবে প্ৰয়োজন হব পৰা অতিৰিক্ত ব্যয় নকৰাকৈয়ে যোজনাৰ বহিৰ্ভূত বাজেটত সমতা ৰক্ষা কৰিবলৈ ৰাজ্যখনক অতি কমেও ১৮'৬৯ কোটি টকাৰ সাহাৰ্য্যৰ প্ৰয়োজন হব। ৰাজ্য চৰকাৰৰ দ্বাৰা গৃহীত দৰমহা আয়োগৰ প্ৰথম প্ৰতিবেদনৰ অনুমোদন অনুসৰি প্ৰকৃত অতিৰিক্ত ব্যয় হব ৪'৩০ কোটি টকা। সেয়ে মই যোজনাৰ বহিৰ্ভূত ঘাটি পূৰণৰ বাবে কেন্দ্ৰৰ পৰা ২২'৯৯ কোটি টকাৰ ঋণ-সাহাৰ্য্যক জমা হিচাপে ধৰিছোঁ।

আমাৰ ৰাজ্যখনত কৰ লগোৱাৰ স্থলি বৰ সীমাবদ্ধ আৰু কৰ আৰোপনৰ পৰ্য্যায়ো ইতিমধ্যে উচচ। পঞ্চবিংশতিতম ৰাষ্ট্ৰীয় নমুনা সমীক্ষা মতে অসমৰ মুঠ জনসংখ্যাৰ শতকৰা ৭৪'৬৯ ভাগ লোক দাৰিদ্ৰ্যৰ সীমাৰেখাৰ তলত। নগৰীয়া অঞ্চলত দাৰিদ্ৰ্যৰ সীমাৰেখাৰ তলত থকা লোকৰ সংখ্যা শতকৰা ৫৮'৪৪ ভাগ আৰু অনাহাতে গাওঁলীয়া অঞ্চলত তেনে লোকৰ সংখ্যা হব শতকৰা ৯০'৯৪ ভাগ। সেয়ে মই ৯৫'৬৪ লাখ টকাৰ নিৰ্দ্ধাৰিত ঘাটি পূৰণ কৰাৰ বাবে কোনো নতুন অথবা অতিৰিক্ত কৰৰ ব্যৱস্থা প্ৰৱৰ্ত্তন নকৰিবলৈ সিদ্ধান্ত কৰিছোঁ। ইয়াৰ পৰিৱৰ্ত্তে অনাদায়ী কৰ আৰু ৰাজহ আদায়ৰ ব্যৱস্থা উন্নত কৰাৰ ওপৰত আস্থা ৰাখিছো।

নিৰ্দ্ধাৰণৰ পৰা এইটো দেখা যাব যে ৰাজহ আয়ৰ নিৰ্দ্ধাৰণ যথেষ্ট বঢ়োৱা হৈছে আৰু প্ৰাকৃতিক দুৰ্যোগৰ ক্ষেত্ৰত ব্যয় কমকৈ ধৰা হৈছে। এই বছৰ কোনো প্ৰবল বানপানী নহব আৰু অনাদায়ী কৰ আৰু ৰাজহ আদায় কৰাৰ বাবেও চৰকাৰে কৃতকাৰ্য্যতাৰে সংগ্ৰহৰ অভিযান চলাব পাৰিব বুলি ধৰি লৈয়েই এই নিৰ্দ্ধাৰণ কৰা হৈছে। অৱশ্যে অভিজ্ঞতাৰ পৰা দেখা যায় যে আমি সততে প্ৰবল বানপানীৰ বাবে প্ৰস্তুত থাকিব লাগিব। সেয়ে ঘাটি পূৰণ কৰাৰ বাবে আৰু প্ৰাকৃতিক দুৰ্যোগৰ বাবে প্ৰয়োজনীয় অতিৰিক্ত ব্যয় বহন কৰিবলৈ আমি যোজনাৰ বহিৰ্ভূত ব্যয়ৰ

ক্ষেত্ৰত সৰ্বোচ্চ মিতব্যয়িতা অৱলম্বন কৰিব লাগিব আৰু অনাদায়ী কৰ আৰু ৰাজহ আদায় কৰাৰ বাবেও বিশেষ অভিযান চলাব লাগিব। মই ইতিমধ্যে ৰাজ্যখনৰ বৰ্দ্ধিত ঋণৰ বোজা সম্পৰ্কে এটা পৰিষ্কাৰ চিত্ৰ দাঙি ধৰিছোঁ। তেনেস্থলত ভাৰত চৰকাৰৰ পৰা পুনৰ ঋণ লোৱাৰ ব্যৱস্থা পৰিহাৰ কৰাৰ প্ৰয়োজনীয়তা দোহৰাৰ সকাম নাই। অনাদায়ী কৰ আৰু ৰাজহ যাতে সৰ্ব্বোচ্চ পৰিমাণে আদায় হয় তাৰ বাবে সকলো শ্ৰেণীৰ লোকে সৰ্ব্বতোপ্ৰকাৰে চৰকাৰৰ এই প্ৰচেষ্টাত সহযোগ কৰাটো বাঞ্ছনীয়। এই ক্ষেত্ৰত মই সদনৰ সকলো মাননীয় সদস্যকে সৰ্বান্তঃকৰণে সহযোগিতা আগবঢ়াবলৈ অনুৰোধ জনালোঁ।

এইখিনিকে কৈ মই ১৯৭৩-৭৪ চনৰ বাৰ্ষিক বিত্তীয় বিৱৰণী সন্মানীত সদনৰ বিবেচনা আৰু অনুমোদনৰ বাবে দাঙি ধৰিলোঁ।

# পরিশিষ্ট

# পৰিশিষ্ট 'ক'

( লাখ টকাৰ হিচাপত )

| শিতান | প্ৰকৃত ১৯৭১-৭২ | বাজেট ১৯৭২-৭৩ | সংশোধিত ১৯৭২-৭৩ | বাজেট ১৯৭৩-৭৪ |
|---|---|---|---|---|
| (১) | (২) | (৩) | (৪) | (৫) |
| (ক) আয়— | | | | |
| আৰম্ভণিৰ উদ্বৃত্ত ... ... | + ৪,৪৯·৩৫ | ... | + ১১,৬৮·৭৬ | + ২,৮৩·৪০ |
| ৰাজহ আয় ... ... | ১১৭,৬০·৭২ | ১১৩,৮৩·৫৬ | ১১৯,৯৫·৬০ | ১৩৭,৭৭·৩০ |
| মূলধন আয় ... ... | ১৯০,১৯·২০ | ১১৪,৮৮·৫৪ | ১৫৭,৫৬·১৮ | ৯৩,২৭·৬২ |
| উপনিমিত্ত পুঁজিৰ শিতানৰ আয় | ৫,২৩·১২ | ... | ৩১,৭৩·৯০ | ১.৪০·৬৯ |
| ৰাজহুৱা হিচাপ শিতানৰ আয় | ১১০,৭০·১৪ | ১৩২,৯০·৫২ | ১৩৪,২৪·২০ | ১১৩,৭৮·৪৫ |
| মুঠ আয় ... | ৪২৩,৭৩·১৮ | ৩৯১,৬২·৬২ | ৪৪৩,৪৯·৮৮ | ৩৪৬,২৪·০৬ |
| সৰ্ব্বমুঠ ... | ৪২৮,২২·৫৩ | ৩৯১.৬২·৬২ | ৪৫৪,১৮·৬৪ | ৩৪৯,০৭·৪৬ |

| (১) | (২) | (৩) | (৪) | (৫) |
|---|---|---|---|---|
| (খ) ব্যয়— | | | | |
| ৰাজহ ব্যয় ... ... | ১৪২,৩৭'০১ | ১১৯,৫২'২৪ | ১২৬,৫৫'৮২ | ১৫৬,৪৯'১১ |
| মূলধন ব্যয় ... ... | ১৬৩,৩৩'২০ | ১৫২,৪৯'২৬ | ১৮০,৯০'৩৭ | ৯০,৫৭'৭০ |
| উপনিমিত্ত পুঁজি শিতানৰ ব্যয় | ১০,৫০'৯০ | ৯১'৩৪ | ৩২,৩৫'৫৫ | ... |
| ৰাজহুৱা হিচাপ শিতানৰ ব্যয় | ১০১,৩২'৬৬ | ১৩০,৫০'৫৫ | ১১১,৫৩'৫০ | ১০২,৯৬'২৯ |
| মুঠ ব্যয় ... | ৪১৭,৫৩'৭৭ | ৪০৩,৪৩'৩৯ | ৪৫১,৩৫'২৪ | ৩৫০,০৩'১০ |
| সামৰণিৰ উদ্বৃত্ত ... | (+) ১০,৬৮'৭৬ | (—) ১১,৮০'৭৭ | (+) ২,৮৩'৪০ | (—) ৯৫'৬৪ |
| সৰ্ব্বমুঠ ... | ৪২৮,২২'৫৩ | ৩৯১,৬২'৬২ | ৪৫৪,১৮'৬৪ | ৩৪৯,০৭'৪৬ |
| মুঠ ফলাফল— | | | | |
| ঘাটি (—) | | | | |
| ৰাহি (+) | | | | |
| (ক) ৰাজহ হিচাপত | (—) ২৪,৭৬'২৯ | (—) ৫,৬৮'৬৮ | (—) ৬,৬০'২২ | (—) ১৮,৭১'৮১ |
| (খ) ৰাজহ হিচাপৰ বাহিৰত | (+) ৩০,৯৫'৭০ | (—) ৬,১২'০৯ | (—) ১,২৫'১৪ | (+) ১৪,৯২'৭৭ |

# পৰিশিষ্ট 'খ'

## ১৯৭৩-৭৪ চনৰ বাৰ্ষিক যোজনা

### খণ্ড হিচাবে কৰা বণ্টন

| উন্নয়নৰ শিতান | ( লাখ টকাৰ হিচাপত ) ১৯৭৩-৭৪ চনৰ সাম্প্ৰতিক বণ্টন |
|---|---|
| (১) | (২) |
| ১। কৃষি উৎপাদন ... .. ... ... | ২৬৮·০০ |
| ২। ক্ষুদ্ৰ জলসিঞ্চন ... ... ... ... | ৩১৩·০০ |
| ৩। ভূমি সংৰক্ষণ ... ... ... ... | ৩০·০০ |
| ৪। এলেকা উন্নয়ন কাৰ্য্যসূচী ( Ayacut Development Programme ) | ৩·০০ |
| ৫। পশু পালন ... ... ... ... | ৮৫·০০ |
| ৬। দুগ্ধশালা আৰু গাখীৰ যোগান ... ... | ১৭·০০ |
| ৭। বন বিভাগ ... ... ... ... | ৬৫·০০ |
| ৮। মীনমহল ... ... ... ... | ৩২·০০ |
| ৯। পণ্যশালা আৰু বেচাকিনা ... ... ... | ৭·০০ |
| ১। কৃষি আঁচনি ... ... | ৮৩০·০০ |
| ১০। সমবায় ... ... ... ... ... | ১৫০·০০ |
| ১১। সমূহীয়া উন্নয়ন ... ... ... ... | ৩৬·০০ |
| ১২। পঞ্চায়ত ... ... ... ... ... | ১৪·০০ |
| ২। সমবায় আৰু সমূহীয়া উন্নয়ন ... | ২০০·০০ |

( লাখ টকাৰ হিচাপত )

| উন্নয়নৰ শিতান (১) | ১৯৭৩-৭৪ চনৰ সাম্প্ৰতিক বণ্টন (২) |
|---|---|
| ১৩। জলসিঞ্চন ... ... ... ... ... | ১৯০·০০ |
| ১৪। বানপানী নিয়ন্ত্ৰণ ... ... ... ... | ২৪৫·০০ |
| ১৫। বিজুলী শক্তি ... ... ... ... | ৯৪২·০০ |
| ৩। জলসিঞ্চন আৰু বিজুলী শক্তি... | ১,৩৭৭·০০ |
| ১৬। বৃহৎ আৰু মাধ্যমিক উদ্যোগ ... ... ... | ৩৯০·০০ |
| ১৭। খনিজ উন্নয়ন ... ... ... ... | ৩০·০০ |
| ১৮। গ্ৰাম্য আৰু ক্ষুদ্ৰ উদ্যোগ ... ... ... | ১৪৫·০০ |
| ৪। উদ্যোগ আৰু খনিজ ... | ৫৬৫·০০ |
| ১৯। আলিবাট ... ... ... ... ... | ২৪৮·০০ |
| ২০। পথ পৰিবহন ... ... ... ... | ১৩০·০০ |
| ২১। আভ্যন্তৰিণ জল পৰিবহন ... ... ... | ৩৯·০০ |
| ২২। পৰ্য্যটন ... ... ... ... ... | ১৬·০০ |
| ৫। পৰিবহন ... ... ... | ৪৩৩·০০ |
| ২৩। সাধাৰণ শিক্ষা ... ... ... ... | ৫৩৬·০০ |
| ২৪। কাৰিকৰী শিক্ষা ... ... ... ... | ৫০·০০ |
| ২৫। সাংস্কৃতিক কাৰ্য্যসূচী ... ... ... ... | ১৮·০০ |
| ২৬। পানী যোগান আৰু জনস্বাস্থ্যকে ধৰি চিকিৎসাৰ ব্যৱস্থা | ৪০৪·০০ |

(লাখ টকাৰ হিচাপত)

| উন্নয়নৰ শিতান | ১৯৭৩-৭৪ চনৰ সাম্প্ৰতিক বণ্টন |
|---|---|
| (১) | (২) |
| ২৭। গৃহ আৰু নগৰ পৰিকল্পনা ... ... ... | ১০৪·০০ |
| ২৮। অনুন্নত শ্ৰেণীসমূহৰ কল্যাণ সাধন (ভৈয়ামৰ জন-জাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীসমূহ) | ১১৭·০০ |
| ২৯। সমাজ-কল্যাণ ... ... ... ... | ১৮·০০ |
| ৩০। শ্ৰম আৰু শ্ৰম-কল্যাণ ... ... ... | ২১·০০ |
| ৬। সমাজ সেৱা ... ... ... | ১,২৬৮·০০ |
| ৩১। পৰিসংখ্যা ... ... ... ... ... | ৫·০০ |
| ৩২। তথ্য আৰু জনসম্পৰ্ক ... ... ... .. | ৭·০০ |
| ৩৩। পাৰ্ব্বত্য আৰু সীমান্ত অঞ্চল ... ... ... | ৫৬০·০০ |
| ৩৪। অন্যান্য ... ... ... ... ... | ৫২·০০ |
| ৭। বিবিধ ... ... ... ... | ৬২৪·০০ |
| সৰ্ব্বমুঠ ... ... | ৫,২৯৭·০০ |

AGP [Fin. (c)] 3/73—1,000—2-6-1973.